# 2019

## ASSAMESE

## ( Major )

Paper : 6.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) ছন্দৰ মূল কথা কি?

(খ) অক্ষৰ কাক বোলে?

(গ) পয়াৰ ছন্দৰ অক্ষৰ সংখ্যা কিমান?

(ঘ) 'অলংকাৰ সৰ্বস্ব' কাৰ ৰচনা?

(ঙ) "জগজন জীৱন অজন জনাৰ্দন দনুজ দমন দুখহাৰী।" ইয়াত কি অলংকাৰ প্ৰয়োগ হৈছে?

(চ) কুসুমমালা ছন্দত ৰচনা কৰা এখন কাব্যপুথিৰ নাম লিখা।

(ছ) অলংকাৰৰ ৰাণী বুলি কোন অলংকাৰক কোৱা হয়?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ঝুনা, ঝুমুৰী আৰু কুসুমমালাক সমছন্দও বুলিব পাৰি। ইয়াক সমছন্দ বোলাৰ কাৰণ কি?

(খ) পূৰ্ণোপমাত থকা উপমাৰ চাৰিটা অংগ কি কি?

(গ) মাত্ৰা বুলিলে কি বুজা?

(ঘ) কাব্যত অলংকাৰৰ অপৰিহাৰ্যত্ব স্বীকাৰ কৰা দুগৰাকী আলংকাৰিকৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

অন্ত্যমিল ; ঝুমুৰী ; যতি ; অনুপ্ৰাস ; ৰূপক ; বক্রোক্তি।

৪। (ক) ত্রিপদী ছন্দ কাক বোলে? ত্রিপদী ছন্দৰীতিৰ অন্তৰ্গত যি কোনো দুটা ছন্দৰ উদাহৰণসহ সূত্ৰ লিখা। ২+৪+৪=১০

*অথবা*

(খ) অলংকাৰ কাক বোলে? কাব্যত অলংকাৰৰ স্থান সম্পৰ্কে বিভিন্নজন আলংকাৰিকৰ অভিমত আলোচনা কৰা। ২+৮=১০

৫। (ক) মুক্তক ছন্দ বুলিলে কি বুজা? উদাহৰণসহ মুক্তক ছন্দ সম্পৰ্কে বহলাই আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) শব্দালংকাৰ কাক বোলে? ই কেই প্ৰকাৰৰ? যি কোনো দুবিধ শব্দালংকাৰৰ বিষয়ে আলোচনা কৰা। ২+২+৩+৩=১০

৮। (ক) পদছন্দ কাক বোলে? অসমীয়া প্ৰাচীন আৰু আধুনিক কবিতাত ইয়াৰ প্ৰয়োগ কিদৰে হৈছে, আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) "অলংকাৰৰ মূল অত্যুক্তি আৰু বক্ৰোক্তি।" কথাষাৰ আলোচনা কৰা। ১০

★★★